শ্ৰীদেৱেশ্বৰ শৰ্মা :—চৰকাৰে সেইটো আৰু কি অনুসন্ধান কৰিব। টকাখিনি কেনেকৈ খৰচ কৰিছে সেইটোৰ খবৰ সদনৰ সদস্যসকলে ৰাখিছেনে? ইয়াৰ আগতেও আমাৰ মাননীয় সদস্য শ্ৰীহুলাল বৰুৱাই এটা কথা উলিয়াইছিল যে, ১০ লক্ষ্য টকাৰ মুল্যৰ এটা সম্পত্তি ২৭ লাখ টকাত কিনিছে। তাৰ পাচত কিবা Report দাঙি ধৰিছিলনে? পাচত সকলোবিলাক বাদ দিলে। আজি তাৰ Vice-chancellor জন গোটেই বছৰ বহি থাকে। যোৱা বছৰ বাহিৰলৈ যাওতে এমাহৰ কাৰণে এজন Senior Prof ক দি গ'ল। তাৰ পাচত Vice-chancellor ৰ কিবা আসোৱাহ উলিওৱাত পাচৰ বাৰ তেওঁক নাৰাখিলে। তাৰ পাচত আমাৰ Rector ক বিদায় দি তেওঁকে Development অফিচাৰ Create কৰিলে। আজি আমাৰ ইগৰাকী মন্ত্ৰীয়ে সিগৰাকী মন্ত্ৰীক টেলিফোন কৰিয়েই বিশ্ববিদ্যালয় চলিছে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী :— প্ৰশ্নটো যৰ বহল হৈ গৈছে। এই প্ৰশ্নটো Leakage ৰ হে আছিল।

শ্ৰীদেৱেশ্বৰ শৰ্মা : আজি ইমান প্ৰশ্ন কেলৈ গুলাইছে মই বুজিব পৰা নাই। দেশখনতটো কিনা বেচ চলিছেই। আজি যিবিলাকে এইবিলাক কৰিব নোৱাৰে তেওঁলোক অসমৰ্থ। তেখেতসকলে কোনোবাই প্ৰশ্ন চুৰি কৰি Risk লৈছে পইচা লবই।

শ্ৰীহীৰালাল পাটোৱাৰী :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে,

Mr. Speaker : Under rule 30, generally a question is asked and reply is given, and than one or two quetion's are put. There cannot be any debat or it.

শ্ৰীহীৰালাল পাটোৱাৰী :- মোৰ মনত ভাব হয় যে, শ্ৰীভূমিভক্ত তাৰ পৰা আতঁৰাবৰ কাৰণেও এনেকুৱা ষড়যন্ত্ৰ কৰিব পাৰে। সেই কাৰণে মন্ত্ৰী মহোদয়ে এইটোও মনত ৰখা উচিত।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : সেইটো আমি মনত ৰাখিছেই। কাৰণ প্ৰশ্ন Leakage হোৱাত তাৰ এজন Clark ক বৰখাস্ত কৰা হয়। তাৰ পাচত University ৰ Board এ তেওঁলোকৰ সিদ্ধান্ত অনুসৰি তাত যি Controller of Examination সাময়িকভাৱে বৰখাস্ত কৰিছে। গতিকে বগান লেবাৰ বুলি কোনো কথা থাকিব নোৱাৰে। কোনোবাই যদি দোষ কৰে তাত কোনো সাম্প্ৰদায়িকতা বিচাৰ কৰা নহয়।

**Re : Hunger Strike at the Assam State Electricity Board.**

শ্ৰীগোবিন্দ কলিতা :—আমাৰ ৰাজ্যিক বিদ্যুৎ বৰ্ডৰ অনশন ধৰ্মঘটৰ বিষয়ে আজি কিবা কোৱাৰ কথা আছিল।

শ্ৰীবিশ্বদেৱ শৰ্মা :—আক এটা Union আছে। তেখেতসকলেও কিছু দাবী উত্থাপন কৰিছে। তেখেতসকলৰ যিবিলাক দাবী উঠাইছিল সেইবিলাক প্ৰায়েই মানিলোৱাৰ কথা। মাত্ৰ এনেয়ে ধৰ্মঘট কৰি দেখুৱাইছেহে।

শ্ৰীমনেশ্বৰ বড়ো :—মই জনাত, Chief Minister ৰ লগত যিটো আলোচনা হৈছিল আৰু সেই আলোচনাত যি প্ৰতিশ্ৰুতি দিছিল তাৰ দ্বাৰা এই Strike উঠাই লোৱা হৈছেনে ?

শ্ৰীবিশ্বদেৱ শৰ্মা :—সেইবিলাক কেচ উঠাই লব নোৱাৰি তেওঁখেতসকলে যি Wage Board, House Rent আদিৰ যি কেচ তাক উঠাই লোৱাৰ কথা ভবা হোৱা নাই।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—তেখেতে যিটো Union ৰ কথা কৈছে সেইটো কোনটো Union, INTUC নে হিন্দ মজদুৰ ?

শ্ৰীবিশ্বদেৱ শৰ্মা :- এইটো মোৰ হাতত নাইকিয়া।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— তেতিয়াহলে মইয়েই কে দিও। আগৰটো ভাত নোখোৱাটো আৰু পিচৰটো C.P.M. বোধকৰো।

## General Discussion of the Budget.

Shri Premodhar Bora :— মাননীয় অধ্যক্ষ মহোদয় বাজেট বক্তৃতাত অংশ গ্ৰহণ কৰিবলৈ যাওঁতে আমাৰ অসম চৰকাৰৰ যি অৰ্থনীতি তাক পৰ্যালোচনা কৰিব বিচাৰিছো এই বাজেটখন এখন Capitalist বাজেট। আমাৰ এষাৰ কথা আছে "ঋণং কৃত্বা ঘৃণং পিবেৎ" আমাৰ চৰকাৰৰো আজি আমাৰ বাজেটখনটো সেই একেই অৱস্থা। আমাৰ চৰকাৰে Budget at a glance ত কৈছে যে আমাৰ ইয়াত ৪০% লৈ Revenue উঠিছে আৰু Tax লগোৱাৰ পাছত ৮% বঢ়াত এইটো ৫৮% হল। Non Tax ৰাজহৰ ৩% Realisation ৰ কাৰণে আৰু ১৬% কেন্দ্ৰীয় চৰকাৰৰ অংশ হিচাবে বল। ৫৬% হৈছে আমাৰ ৰাজ্যৰ উপাৰ্জন আৰু ৪৪% কেন্দ্ৰৰ অংশ। আনহাতেদি Miscellenious ত ২৩% অকল যদি Miscellenous ত ২৩% আৰু Social Service ত ২৯% ধৰিছে। ইয়াৰ পৰা দেখা গল শতকৰা ৫২ ভাগেই অৰ্থনীতিৰ উন্নয়ণৰ আচনিত খটোৱা নাই। Economic Development ত শতকৰা মাত্ৰ ২০% হে। সেই কাৰণে এনেকুৱা অৱস্থাত দেশৰ উন্নতি অকনো পৰিলক্ষিত হোৱাৰ আশা নাই।

এইটো বিত্তমন্ত্ৰীৰ আচলতে Planed Budget হব নোৱাৰে। এইটো কেৱল আমাৰ দেশৰ চাকৰি কৰোতা সকলৰ কাৰণেহে হৈছে। কাৰণ Development শিতানত কম টকা খৰচ কৰি Misellenous ত ২৩% দিছে। গতিকে সাধাৰণ ভাবে যদি চাওঁ তেন্তে এইটো স্কুলীয়া ল'ৰাৰ সৰস্বতী পূজাৰ বাজেটৰ সমানো হোৱা নাই। কাৰণ অধ্যক্ষ মহোদয়, আপুনি জানে যে প্ৰকৃত সৰস্বতী পূজাৰ বাবে ১০ টকা খৰচ কৰি বাকী ৬/৭ টকা বাহিৰা খৰচৰ বাবে ৰাখে। ঠিক তেনেকৈয়ে আজি আমাৰ চৰকাৰে প্ৰকৃত কামত পাছ সাত টকা খৰচ কৰি বাহিৰা খৰচৰ বাবেহে ২২/৩ টকা ৰাখে। গতিকে এইটো কেতিয়াও প্ৰকৃত বাজেট হব নোৱাৰে, এই বাজেটৰ বেছি ভাগেই Unproductive.

এতিয়া সামগ্ৰীক উন্নয়ৰ কথালৈ চাওক। বাজেট বক্তৃতাত বিত্তমন্ত্ৰী ডাঙৰীয়াই অৰ্থনৈতিক বিকাশৰ কথা কৈছে; কিন্তু এতিয়ালৈকে আমাৰ Population ৰ Per capita income ০.৩০ পয়ছ অৰ্থাৎ এতিয়া দেখা গল যে আমাৰ মন্ত্ৰীসকলে বা সদনৰ সদস্য সকলে যদি ৩০, টকা লয় তেনেহলে সাধাৰণ মানুহে পাব ০.৩০ পয়ছা গতিকে এইটো শিক্ষকে ছাত্ৰক শোষণ কৰাৰ চিনা হোৱা নাই নে? ইয়াৰ ব্যৱধান ১০০% নহল নে? গতিকে এইটো কি বাজেট হৈছে।

অধ্যক্ষ মহোদয় আপুনি যদি বাজেট খনৰ গোটেই Memorandum টো পঢ়ি চায় তেন্তে দেখিব Advancing Govt. Service ৰ কাৰণে ১২০ লাখ Agriculture ঋণৰ বাবে মাত্ৰ ২০ লাখ গতিকে ই হল মাত্ৰ ⅙ ভাগ। বাজেটখন হব লাগিছিল শতকৰা ৮০ ভাগেই কৃষিৰ; কিন্তু তাৰ পৰিবৰ্তে কৃষিত দিছে ০ লাখ ৩০ হজাৰ টকা আৰু চৰকাৰী কৰ্ম্মচাৰীয়ে ৰাখিছে ১ কোটি ৪৯ লাখ ২০ হেজাৰ টকা। আৰু পঞ্চায়তৰ শিতানত দিছে মাত্ৰ ২ লাখ ৭০ হেজাৰ টকা গতিকে এইটো কি বাজেট? গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই এই ভুল খিনি বিত্তমন্ত্ৰী ডাঙৰীয়াক আঙুলিয়াই দিলো।

বাজেট বক্তৃতাত তেখেতে অৰ্থনৈতিক পৰিস্থিতিৰ পৰ্য্যালোচনা কৰিছে। মই ভাবো যে অৰ্থনৈতিক পৰিস্থিতিৰ পৰ্য্যালোচনাৰ কথা হোৱা নাই। আমাৰ বিত্তমন্ত্ৰী মহোদয়ে সদনত ঘোষণা কৰিছে যে কৰ্ম্মচাৰী সকলৰ অৱস্থাৰ উন্নতিৰ

কাৰণে নতুন পে কমিটি গঠন কৰিছে। এইটোত আমি সন্তোষ পাইছো। কিন্তু এই নতুন পে কমিটিৰ আলোচনাৰ সময়ত সমগ্ৰ ৰাজ্যৰ অৰ্থনৈতিক পৰিস্থিতিৰ কথা ভাবিছেনে? গাৱলীয়া ৰাইজৰ উৎপাদিত কৃষি সমগ্ৰী কেনেকৈ বজাৰত বিক্ৰী হৈছে বা মিঠাতেল, নিমখ, কাপোৰ কানি কেনেকৈ বৰ্দ্ধিত দামত কিনিব লগা হৈছে। এই কথা চৰকাৰে ভাবিছেনে? প্ৰাথমিক স্কুল শিক্ষক সকল পঞ্চায়তৰ কৰ্মচাৰী সকলৰ আৰ্থিক দুৰৱস্থাৰ কথা চৰকাৰে সামগ্ৰীক ভাবে ভাবিছেনে? মই কব খুজিছো এই সকলো বিলাক কথাই চৰকাৰে বিবেচনা কৰিব লাগিব। কেৱল কেইটামান Industry ৰ কথা কলেই নহব।

মই বিত্তমন্ত্ৰী ডাঙৰীয়াক, তেখেত Employment সম্পৰ্কীয় সমস্যাটো উপলব্ধি জনোৱাৰ কাৰণে ধন্যবাদ জনাইছো—। বাজেট ভাষণৰ ৩ পৃষ্ঠাত কৈছে যে "প্ৰায় বিস্ফোৰণৰ আকাৰ ধাৰণ কৰা ক্ষিপ্ৰ নিবনুৱাৰ সংখ্যা বৃদ্ধি ভাৰতৰ অৰ্থনীতিৰ এক আটাইতকৈ ভয়াবহ সমস্যা। ভাৰত চৰকাৰ অৱশ্যে সমস্যাটোৰ বিষয়ে সম্পূৰ্ণ সজাগ" —
অধ্যক্ষ মহোদয়, ইয়াত ভাৰত চৰকাৰৰ কথা কোৱা হৈছে। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই অসম ৰাজ্যখনৰ নিবনুৱা সমস্যাৰ সমাধানৰ কাৰণহে সজাগ হব লাগিছিল। আৰু এই সম্পৰ্কত যথাযথ পৰিকল্পনা ৰ আঁচনি লব লাগিছিল ১৯৬৯ চনত এই সদনে এটা Employment Review Committee পাতি দিছিল। আৰু তাৰ Recommendation ত স্থানীয় লোক সুবিধা পাব লাগে বুলি কোৱা হৈছিল।

(সময়ৰ সংকেত)

এই Review Committee ৰ Recommendation বিলাক কাৰ্য্যকৰী কৰা হৈছেনে নাই? যদি নাই তেতিয়াহলে ইয়াৰ দ্বাৰাই সদনক অৱমাননা কৰা নাইনে? গতিকে এই Recommendation বিলাকৰ প্ৰতি সন্মান দেখুৱাই চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা সোনকালে লবনে?

এই প্ৰসংগত এই কথা কনে ভুল নহবযে আমাৰ চৰকাৰৰ সকলো ক্ষেত্ৰতে আত্মসন্তুষ্টি লাভ কৰা যেন লাগে। আৰু "বহ্বাৰম্ভে লঘু ক্ৰীয়া" কৰিছে যেন লাগে। আমাৰ ৰাইজৰ শতকৰা ৮০ ভাগ দুখীয়া কৃষকৰ অৰ্থনীতিৰ ওপৰত সমগ্ৰ ৰাইজৰ অৰ্থনীতি নিৰ্ভৰ কৰে। গতিকে ডাঙৰ ডাঙৰ শিল্পৰ বাহিৰেও সৰু সৰু

ঘৰুৱা কুটিৰ শিল্প যেনে—বেত বাঁহৰ কাম, মিৰি জিমৰ কাম, আৰু এৰি মুগা পাতৰ ঘৰুৱা উদ্যোগ তেনে ধৰণৰ সৰু-সুৰা ঘৰুৱা শিল্পৰ কামত জোৰ দিব লাগে। কিন্তু এই বিলাক কথা তেখেতৰ ভাষণত উল্লেখ নাই। এই বিলাকত আমি জোৰ দিব লাগে।

( সময়ৰ সংকেত )

Mr. Speaker : আপোনাৰ সময় শেষ হ'ল।

Shri Premodhar Bora : শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যি withdrawal নীতি লৈছে সেইটো বৰ দুখৰ কথা হৈছে। এফালে বৰ্ডে স্কুল বিলাক De-Recognise কৰিছে। আৰু আনফালে তাৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে অৰ্থ সাহাঘ্যৰ পৰা বঞ্চিত কৰিছে।

Shri Kamakhya Prasad Tripathi : De-Recognise হলে কি হয়?

Shri Premodhar Bora : পৰীক্ষা দিব নোৱাৰে আৰ্থিক ক্ষতি অভিভাৱকৰ......

Shri Atul Chandra Goswami : Das আয়োগৰ অৰ্থৰ benefit নাপায় Increament বন্ধ হয় আৰু D. A. নাপায়।

Shri Kamakhya Prasad Tripathi : মই জনাৰ আগতে D. A. বন্ধ হৈছিল। কিন্তু শিক্ষক সকলৰ লগত আলোচনা কৰি সেইটো পুণৰ দিয়া হৈছে। কেৱল Increament হে বন্ধ কৰা হৈছে।

Shri Premodhar Bora : ইয়াৰ ফলত Financial aid যাতে বন্ধ নহয় তাৰ কাৰণে চৰকাৰে চকু দিব লাগে। ৮০ কোটি টকা বিজুলি বাতিৰ কাৰণে ধাৰ হৈছে। তাৰে ৩০ কোটি টকা অসম চৰকাৰৰ পৰা নতুনকৈ ধাৰে লৈছে। আৰু এই বিল পাচ কৰি দিছে। এই টকাৰ কাৰণে আমাৰ প্ৰত্যেক জন মানুহেই ১০০ টকাকৈ দিব লগীয়া লৈছে। কিন্তু এই ১০০ টকাৰ বিনিময়ত আমাৰ গাঁৱলীয়া মানুহে কি পাইছে?

Shri Kamakhya Prasad Tripathi : মাননীয় সদস্যই জানে যে ৰাস্তা-

ঘাট ৰেল লাইন আৰু Electricity এই বিলাক Infrastracture for development of Society প্ৰত্যেক Item তে Population হিচাপে চাৰলৈ গলে এটা বিৰাট সংখ্যা হয় সেই বাবে ভয় কৰিব নালাগে।

Shri Atul Chandra Goswami : ৰাস্তাৰ কাৰণে যি পইচ দিয়া হৈছে তাৰ পৰা সকলোৰে লাভ হৈছে। কিন্তু বিজুলি চাকিৰ পোহৰৰ কথাই নাই তাৰ বাল্বটোকে গাঁৱলীয়া মানুহে দেখা নাই। তেনে ক্ষেত্ৰ টা ইমান টকা দিব-লগীয়া হৈ ছ।

Shri Kamakhya Prasad Tripathi : ৰাষ্টা ঘাটৰ সম্পৰ্কত এনেকুৱা ঠাই আছে যত কোনো ৰাষ্টা নাই অথচ কিছুমানৰ ঘৰৰ আগত থকা বিলাক সুবিধা পাইছে। All Progress is gradual এই Prograss আকস্মিক হব নোৱাৰে।

Shri Atul Chandra Goswami : It should be proportionate.

Shri Premodhar Bora : অনুসূচিত আৰু অন্যান্য পিচ পৰা সম্প্ৰদায়ৰ সম্পৰ্কত......

Mr. Speaker : আপুনি বহক আপুনি ১৫ মিনিটতকৈ বেচি কলে।

Shri Premodhar Borah : আমাৰ অনুসূচিত জাতি আৰু জনজাতীয় লোক সকল হৈছে অসমৰ খিলঞ্জীয়া লোক। এতিয়া এই লোকসকলৰ অৱস্থা এনেকুৱা হৈছেগৈ যেনেকৈ এটা পকীঘৰ সাজোতে প্ৰথম স্থাপন কৰা ইটা চপৰাগৈ একেবাৰেই শেষত পৰেগৈ। এই অসমৰ আদিম অধিবাসী বিলাকৰ তেওঁলোকৰ নিজা কৃষ্টি সভ্যতা আছে আজি অসমৰ বাহিৰৰ পৰা অহা বহিৰাগতৰ সোঁতেৰে অসম ভৰি পৰিছেহি। ফলত এই খিলঞ্জীয়া লোকসকলৰ পক ঘৰ সাজোতে প্ৰথম ইটা চপৰা বিভিন্ন স্তৰৰ তলত পৰি অস্তিত্ব নোহোৱাৰ নিচিনা অৱস্থাই হৈছেহি। গতিকে তেওঁলোকক Economic Safeguard দিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে।

আমাৰ যি সময়ত অৰ্থৰ কথা উঠিছে, ৰাজধানী স্থানান্তৰৰ গুণা-গথা চলিছে

সেই সময়ত, মই বাজেট বক্তৃতাৰ—P. W. D page 37 ত উল্লেখ কৰা—এই ৩৫ লাখ টকা... শ্বিলঙৰ কাৰণে......খৰছ কৰিবলৈ বিছৰা কথাটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে—এই টকাটো কিয় এতিয়া খৰছ কৰিবলৈ বিচৰা হৈছে?

Shri Kehoram Hazarika :—অধ্যক্ষ মহোদয়, মধ্যকালীন নিৰ্ব্বাচনত গৰীবি হটাওঁ Slogan ৰে জয় লাভ কৰি জয়োল্লাসতে আমাৰ বিত্তমন্ত্ৰীয়ে অসমৰ ৰাইজৰ কাৰণে যিখন বাজেট উত্থাপন কৰিছে তাৰ দ্বাৰা কেৱল সেই লোকক দিয়া প্ৰতিশ্ৰুতিয়েই যে ৰক্ষা কৰিব পৰা নাই এনে নহয় তাৰদ্বাৰা তেওঁলোকৰ ওপৰত এক প্ৰচণ্ড কুঠাৰাঘাতো কৰা হৈছে।

বিত্তমন্ত্ৰীয়ে এইবাৰ নতুনকৈ কৰ ধাৰ্য্য কৰা নাই। তাৰ কাৰণে কোনো কোনো সদস্যই ধন্যবাদো আগবঢ়াইছে। কিন্তু এইটো থিক যে আমাৰ দেশৰ উপাৰ্জনৰ তুলনাত অসমৰ ৰাইজৰ জন্মূৰী tax ৰ বোজা বেছি। ইতিমধ্যেই মানুহৰ ওপৰত tax ৰ বোজা বাঢ়িছেই। এই tax ৰ বোজাতেই আমাৰ সাধাৰণ দুখীয়া গৰীব কৃষক জনসাধাৰণ আৰু শ্ৰমিকসকলৰ tax ৰ বোজাত মেৰুদণ্ড বেকা হৈছে। গৰীবি হতাও Slogan ৰ মাজেদি ৰাইজে ভাবিছিল যে দেশৰ দুখীয়া গৰীব জনসাধাৰণৰ ওপৰত অসহ্য যি tax ৰ বোজা জাপি দিছে নিৰ্বাচনত জয়লাভ কৰাৰ পিছত জয়োল্লাসতে হয়তো সেই tax ৰ বোজা কমাই দিব। কিন্তু আমাৰ বিত্তমন্ত্ৰীয়ে উত্থাপন কৰা বাজেটত এটা কথাই প্ৰমাণিত হৈছে যে গৰীবৰ ওপৰত tax ৰ বোজা আগৰ দৰেই ৰৈ গৈছে আৰু গৰীবক গৰীব কৰা আৰু ধনীক ধনী কৰা চৰকাৰৰ আগৰ যি নীতি তাৰেই পুনৰাবৃত্তি কৰা হৈছে।

Shri Kamakhya Prasad Tripathi :—Tax ৰ দ্বাৰা সমৃদ্ধি বাঢ়েহে।

Shri Kehoram Hazarika :—অধ্যক্ষ মহোদয়, আপুনি ভালকৈ জানে যে অসম এখন কৃষি প্ৰধান দেশ। এই সদনতে বহু মাননীয় সদস্যই কৈ গৈছে যে কৃষকৰ মূল সমস্যা হৈছে মাটিৰ সমস্যা। মইও তাকে কওঁ। আমাৰ মাননীয় সদস্যসকলে পৰামৰ্শ আগবঢ়াইছে—কৃষকৰ মূল সমস্যা এই ভূমি সমস্যা সমাধান কৰাৰ কাৰণে। কিন্তু ভূমি সমস্যা সমাধান কৰাৰ বিষয়ে কোনো কোনো ৰেঙণী এই বাজেটৰ জৰীয়তে অহা নাই।

অধ্যক্ষ মহোদয়, আপুনিও ভালকৈ জানে আৰু বহুদিনৰ মূৰত হলেও চৰকাৰেও স্বীকাৰ কৰিছে যে অসমত সৰ্ব্বভাৰতীয় তুলনাত কৃষিজীৱি জনসাধাৰণৰ সংখ্যা শতকৰা ৭৫ ভাগ, অসমত তাতোকৈও বেছি। শতকৰা ৮৪ ভাগ পৰ্যন্ত চৰকাৰী হিচাব মতে কৃষিজীৱি জনসাধাৰণৰ সংখ্যা ১২০ লাখৰ ভিতৰত চাৰে সাতকোটি পৰিয়াল অসমত ভূমিহীন। এই চাৰে ৭ লাখ পৰিয়ালৰ প্ৰত্যেকতে তিনিজনকৈ হলেও ২৪ লাখ মানুহ অসমত আছে এই মানুহবিলাক মাটিহীন খেতিয়ক মানুহ। এই লোকসকলৰ অন্নসংস্থানৰ কাৰণে তেওঁলোকক মাটি দিয়াৰ কাৰণে এই বাজেটত কোনো উল্লেখ কৰা নাই। কেইটামান সৰু সৰু ভূমিহীন বনুৱা কৃষক পৰিয়ালক মাটি দিব বুলি আমাৰ বিত্তমন্ত্ৰী আগতেও ঢোল কোবাই শুনাইছিল আৰু এই বাজেট বক্তৃতাৰ জৰিয়তে তাৰ পুনৰাবৃত্তি কৰা হৈছে

অধ্যক্ষ মহোদয়, আপোনাক আৰু আপোনাৰ জৰিয়তে চৰকাৰকো জনাব খুজিছো যে যি কেইটা আঁচনিৰ কথা চৰকাৰে উল্লেখ কৰিছে তাৰে এটা আঁচনি নগাঁৱ জিলাত কৰিছিল ৪৮০ টা কৃষক বনুৱা পৰিয়ালক মাটি দিয়াৰ বি আঁচনি কৰিছিল আজি তিনি বছৰেও সেই পৰিয়ালবোৰক মাটি দিব পৰা নাই। তেওঁলোকক সেই মাটিত বহুৱাব পৰা নাই। যোৱা মাঘ বিহুৰ সময়ত নগাঁৱৰ Deputy Commissioner এ মানুহবোৰক Notice দি তাৰ দ্বাৰা খেতিয়ক বিলাকক নথুটিত মাটি দিয়া হব বুলি যাবলৈ কলে। মানুহ বিলাক গল। Notice দিয়াৰ দিনাও গল, তাৰ পিছ দিনাও গ'ল আৰু তাৰ পিছত মানুহ বিলাক হতাশ হৈ ফিৰি আহিল। কিন্তু তাত সেই উপযুক্ত সময়ত কোনো অফিচাৰ হাজিৰ নহল। হতাশ হৈ মানুহ ঘূৰি আহিল মই গৈ Deputy Commissioner ক সোধাত তেখেতে কলে যে তেখেতে বৰ দুখ পাইছে। এই কামৰ কাৰণে নগাঁৱৰ Long Circle ৰ S. D. C. পঠাইছিল। কিন্তু দুদিনৰ আগতে telegram কৰি জনালে যে তেখেতৰ বাপেক ঢুকাল। তাৰ পিছত কামপুৰ চাৰ্কোলৰ S.D.C. ৰ হেনো শহুৰেক ঢুকাল গতিকেই এই কামৰ কাৰণে সময়ত মানুহ পঠাব নোৱাৰিলো। এই ধৰণেৰে মাত্ৰ মাটি পট্টন দিয়াৰ প্ৰচাৰহে হৈছে। দুখীয়া খেতিয়ক সকলক মাটি দিয়াৰ ব্যৱস্থা হলে চৰকাৰে কৰা নাই। চৰকাৰৰ মাটি-নীতিৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। সিদিনা ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত বিত্তমন্ত্ৰী মহোদয়ে কৈছিল যে অসমত উদ্বৃত্ত মাটি প্ৰায় নাইকীয়া হৈয়েই গৈছে।

তেখেতে এই কথাটো ৰাজহুৱাভাৱে স্বীকাৰ কৰিছে যে, যোৱা ২৩ বছৰৰ যি মাটি দিয়া হৈছে সেই মাটি অ-খেতিয়কেই গ্ৰাস কৰি বহি আছে। আজি দুখীয়া খেতিয়কে যি মাটি পাই হৈছে তাত চৰকাৰে হাতী লগাই ৰংহুৱাৰ ভাঙি মানুহৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ কৰিছে। আজি যদি চৰকাৰে এই নীতি পৰিবৰ্ত্তন কৰিব নোৱাৰে তেতিয়াহলে আমাৰ দেশত কৃষক বিদ্ৰোহ হব। আজি পেটৰ জ্বলাত লৰা ছোৱালী মৰিছে। আজি চৰকাৰ এই ভূমি নীতিৰ ক্ষেত্ৰত একেবাৰে ব্যৰ্থ হৈছে। মই চৰকাৰক দাবী কৰিব খুজিছো যে, যিবিলাক মানুহে আজি মাটি দখল কৰি আছে তেওঁলোকক পট্টা দিয়াৰ বন্দবস্ত কৰক যাৰ দ্বাৰা আমাৰ দুখীয়া খেতিয়কৰ অন্ন সংস্থান হব আৰু লগে লগে আমাৰ দেশ খাদ্যতো স্বাবলম্বী হব পাৰিব।

অধ্যক্ষ মহোদয়, আমাৰ দেশত কেইবাখনো কৃষি সংস্কাৰৰ আইন পাচ হৈছে। তাৰ ভিতৰত চিলিং আইন আধিয়াৰ আইন চাহবাগানৰ অতিৰিক্ত মাটি গ্ৰহণ কৰাৰ আইনো পাচ কৰিছে। কিন্তু এই আইন পাচ কৰাৰ পাচত আমাৰ দুখীয়া খেতিয়কৰ মূৰত মাধমাৰ পৰিল। এই আইন পাচ হোৱাৰ পাচত জমিদাৰ আৰু চাহবাগানৰ মালিক সকলে চাহ বাগানৰ মাটি হস্তান্তৰ কৰিলে। ফলত চাহবাগানৰ আশে পাশে থকা খেতিয়কৰ ওপৰত জুলুম হৈছে অত্যাচাৰ হৈছে। উদাহৰণ স্বৰূপে মই কব খুজিছো যে, নগাঁৱৰ শালনা বাগানৰ ওচৰত পুৰুষানুক্ৰমে কিছুমান মানুহে মাটিবিলাক দখল কৰি আছিল। কিন্তু চাহবাগান বিলাকে কেনেকৈ ৰেভিনিউ বিভাগৰ লগত কৌশল কৰি এই মাটিবিলাক লৈ ললে কব নোৱাৰো। আজি এই মানুহবিলাকৰ খাজনা দিয়াৰ ৰছিদো আছে। কিন্তু এতিয়া দেখা গৈছে এই মাটি বিলাক বাগানৰ নামত আছে। ফলত বাগানৰ মালিকে এই মানুহবিলাকক জোৰ জুলুম চলিছে। খেতিয়কৰ ওপৰত শ্ৰমিক লগাই মাৰধৰ কৰাত D.C.ক খবৰ দিয়াত চমগুৰিৰ পুলিচে গৈ মালিকৰ পক্ষহে ললে আৰু খেতিয়কসকলক ৰক্ষা কৰক চাৰি ভাবুকিহে দিলে। আজি এই দৰেই চৰকাৰী আইনবিলাক কাৰ্য্যকৰী হোৱা নাই। ফলত বহুতো বাধাৰ সৃষ্টি হৈছে সেই কাৰণে মই চৰকাৰক এটা কমিটি গঠন কৰিবলৈ অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয় যোৱা নিৰ্ব্বাচনৰ সময়ত জ সাধাৰণক সংবিধান সংশোধন কৰাৰ কথা কৈছিল। আজি গোলোকনাথৰ কেচৰ দৰে চাহ বাগানৰ মাটি আনিবলৈ

সংবিধান সংশোধন কৰিব লাগিব এই চাহ বাগানৰ মাটি বিনা ক্ষতিপূৰণে চৰকাৰৰ হাতলৈ আনিব লাগিব। তাৰ কাৰণে সংবিধানো সংশোধন কৰিব লাগিব।

(সময়ৰ সংকেত)

Mr. Speaker : your time is up you cannot encroach upon other's time

Shri Kehoram Hazarika : আমাৰ ভাৰতবৰ্ষত চাৰিটা পঞ্চবাৰ্ষিক পৰিকল্পনা হৈ গ'ল কিন্তু ইয়াৰ সমাধান চৰকাৰে আজিলৈ কৰিব পৰা নাই। আজি অসম চৰকাৰে যি বিনোদন শিবিৰ প্ৰতিষ্ঠা কৰিছে এনেকুৱা অৱস্থা হৈ থাকিলে কেতিয়াবা এই বিনোদন শিবিৰেই Naxaliteৰ শিবিৰ হবগৈ।

Mr. Speake : If the hon Member does not stick to the time allotted to him, other hon. members will suffer

Shri Kehoram Hazarika : ইয়াকে কৈ মই সামৰিলো।

Shri Narayan Chandra Bhuyan :— অধ্যক্ষ মহোদয়. বিত্তমন্ত্ৰী মহোদয়ে যিখন বাজেট দাঙি ধৰিছে সেইখনত অসমৰ বিত্তীয় অৱস্থা ভাল নহয় বুলি কোৱা হৈছে। ক্ৰমাগত বছৰ কেইটাত বিত্তীয় অৱস্থা সন্তোষজনক নোহোৱাটো দুখৰ বিষয়। কিন্তু তাৰ মাজোদিয়েও অসমৰ বাইজৰ অৱস্থালৈ লক্ষ্য কৰি মাননীয় বিত্তমন্ত্ৰী মহোদয়ে কোনো কৰ কাটল নোহোৱাকৈ বাজেট উথাপন কৰাটো শলাগৰ পাত্ৰ আজি আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা কি কাৰণে বেয়াৰ ফাললৈ গৈছে সেই কাৰণ বিচাৰিকৈলে লক্ষ্য ৰাখিব লাগিব। প্ৰথম কথা হৈছে যে, আমাৰ প্ৰশাসনত যি অপচয় হৈছে তাক বন্ধ কৰি মিতব্যয়িতা অৱলম্বন কৰা উচিত। এই বিষয়ত চৰকাৰে বিশেষ ভাবে মনোযোগ দিব লাগে।

আনহাতে আমাৰ ৰাজ্যত প্ৰায় ৮ কোটি টকা অনাদায়ী কৰ বাকী আছে। এই অনাদায়ী কৰ যাতে উঠাব পৰা হয় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আশাকৰো এই অনাদায়ী কৰ যাতে সোনকালে উঠাব পৰা হয় তাৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা কৰিব। আমাৰ জনমুখী আয় বঢ়াবৰ কাৰণে যি আঁচনি

হৈছে সেই আঁচনিৰ দ্বাৰা কেৱল চাকৰিৰ সৃষ্টি কৰিলেই নিবনুৱা সমস্যাৰ সমাধান নহব। এই আঁচনিবিলাক উৎপাদন মূলক আঁচনি হব লাগিব আৰু তাৰ জৰিয়তে কৰ্ম্মসংস্থান কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰতো চৰকাৰে বিশেষ ভাৱে মনোযোগ দিব লাগিব।

আজি আমাৰ দেশত শতকৰা ৮০ জনেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। সেই কাৰণে এই কৃষি উন্নতিৰ ওপৰত বিশেষ ভাবে জোৰ দিব লাগে। ইয়াৰ কাৰণে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। আজি অসমত যি বানপানী বছৰে বছৰে হৈ আছে তাক নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব।

সন্তোষৰ কথা যে বানপানী নিয়ন্ত্ৰণৰ কাৰণে ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ আয়োগ গঠন কৰিছে। তাৰ পৰা অদূৰ ভৱিষ্যতে অসমৰ পুৰণিকলীয়া সমস্যা সমাধান হব বুলি মই আশা ৰাখিছো। ইয়াৰ বাবে যি অৰ্থৰ প্ৰয়োজন হব, সেই অৰ্থ কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰী দি সহায় কৰিব বুলি মোৰ বিশ্বাস। আজি যদি আমি আমাৰ দেশত সমাজবাদ ৰচনা কৰিব খোজো আৰু দেশচলাতে যদি সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত আৰ্থিক সমতা আনিব খোজো তেন্তে দেশত বৃহৎ উদ্যোগ স্থাপন কৰিলেই নহব, আমি দুখীয়া, বিধৱাৰ পৰা আৰম্ভ কৰি ওপৰৰ মানুহলৈকে অৱস্থা উন্নত কৰিবলৈ আমাৰ দেশত কুটীৰ শিল্পৰ যথেষ্ট প্ৰচাৰ কৰিব লাগিব। আৰু সৰু সৰু আঁচান লৈ গাওঁ অঞ্চলত নিবনুৱা ডেকাসকলৰ মাজত কুটীৰ শিল্পৰ ব্যৱস্থা নকৰিলে সকলো শ্ৰেণীৰ মানুহ হয়তো লাভৱান নহব। বৃহৎ উদ্যোগৰ দ্বাৰা বহুতৰে কৰ্ম্মসংস্থান হব পাৰে। কিন্তু সকলো মানুহৰ অৱস্থাৰ মানুহ উন্নতি কৰিবলৈ হলে আমি তেওঁলোকৰ মাজত সৰু সৰু উদ্যোগ স্থাপন কৰিব লাগিব আৰু তাৰ কাৰণে চৰকাৰে যথেষ্ট আৰ্থিক সহায় কৰিবলৈ আঁচনি কৰিব লাগিব। সেইবাবেই মই গ্ৰামোদ্যোগ মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে এনেধৰণৰ আঁচনি কৰে যাৰ দ্বাৰা নিবনুৱা ডেকা লৰা, বিধৱা, অশিক্ষিত মানুহ এই সকলোবিলাকৰে উপাৰ্জ্জনৰ ৰাস্তা ওলায়। সেইবাবে আজি আমি আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা যদি উন্নত কৰিবলৈ বিচাৰো তেন্তে আমি ৰাজ্যৰ সমৃদ্ধি বৃদ্ধি কৰিব লাগিব। আজি যিবিলাক পৰিয়ালে ১০ বিঘা মাটিৰ ওপৰত নিৰ্ভৰ কৰি চলে তেওঁলোকে কিছুমান কুটিৰ শিল্প কৰিব পাৰে। সূতাকাটি কাপোৰ বোৱাৰ ব্যৱস্থা, এড়ীসূতা কাটি এড়ী কাপোৰ তৈয়াৰ কৰা এইবিলাক কামৰ পৰাও উপাৰ্জ্জনৰ ৰাস্তা ওলায়।

যদি আমি সৰু সৰু উদ্যোগ তৈয়াৰ কৰিব নোৱাৰো তেন্তে দেশৰ অৰ্থনীতিত ভীষণভাৱে বাধা পৰিব আৰু আৰ্থিক অৱস্থাৰ নিম্নগামী হব। আমাৰ দেশত যিবিলাক পৰিকল্পনা লোৱা হৈছে সেইবিলাকে যাতে দেশৰ অৰ্থনীতিৰ উন্নতি সাধন কৰিব পাৰে, নিবনুৱা সকলক কৰ্ম্মসংস্থান দিব পাৰে সেইবিলাকৰ প্ৰতি আমি বিশেষভাৱে লক্ষ্য ৰাখিব লাগিব।

ইয়াৰ পাচত মই সমবায়ৰ কথা কব খুজিছো। আমাৰ যি সমবায় বিভাগ আছে তাক শক্তিশালী কৰি তুলিব লাগে সমবায় বিভাগৰ জৰিয়তেই আমাৰ এই অৰ্থনীতি গঢ়ি উঠে। এই অৰ্থনীতিয়ে আজি সমাজৰ সকলোৰে মাজত সমান ভাৱে অৰ্থৰ বিতৰণত সুযোগ দিব। কিন্তু আজি দুৰ্ভাগ্যৰ কথা হৈছে যে, এই সমবায় বিভাগৰ প্ৰতি ৰাইজৰ যিটো আকৰ্ষণ হব লাগিছিল এই সমবায় যেনেভাৱে শক্তিশালী হব লাগিছিল — সিমান হোৱা নাই। অৰ্থৰ উপাৰ্জ্জন হোৱা নাই বৰং আমাৰ সদায় লোকচান হৈ আছে। চৰকাৰে কিছুমান ডাঙৰ ডাঙৰ আঁচনি লৈ সমবায়ৰ উন্নতিৰ বাবে যত্ন কৰিব লাগে যাতে এই সমবায়ৰ দ্বাৰা দেশৰ উপাৰ্জ্জন বৃদ্ধি হয় আৰু কৰ্ম্ম সংস্থান হব পাৰে। ইয়াৰ পৰা অনুমান হয় আমি ৰাজনৈতিক নেতাসকলেও ইয়াৰ প্ৰতি মনোযোগ দিয়া নাই। আজি এই গণতান্ত্ৰিক চৰকাৰে প্ৰশংসনীয় ব্যৱস্থাৰে দেশক উন্নত কৰিব নোৱাৰে। দেশৰ জনসাধাৰণৰ চেতনা নাহিলে, তেওঁলোকে নেতৃত্ব দিব নোৱাৰিলে দেশৰ উন্নতি সম্ভৱ নহয়। আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে এই বাজেটৰ ভাষণত কৈছে যে "কেৱল চৰকাৰী চাকৰিৰ মুখাপেক্ষী হোৱাতকৈ লাভজনক কৃষি আৰু উদ্যোগৰ কাম কাজত নিয়োজিত হোৱাৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ ধাবিত কৰিবলৈ সুচিন্তিত প্ৰচেষ্টা চলাব লাগে। দুগ্ধশালা, হাঁহ-কুকুৰা, শাকপাচলিৰ খেতি, বাগিচা, মীন মহল, মাংস ইত্যাদিৰ উৎপাদনৰ বাবে বৃহৎ আকাৰত উদ্দেশ্যমুখী ফলপ্ৰসূ ধন বিনিয়োগৰ কাম বহলভাৱে হাতত লব লাগে যাতে বাহিৰৰ পৰা ৰাজ্যখনলৈ এই দ্ৰব্যসমূহৰ আমদানিৰ পৰিমাণ পাৰ্য্যমানে কমাব পৰা হয়।" এই কথাষাৰত আমি বিশেষ ভাৱে গুৰুত্ব দিব লাগে। আজি অসমত যথেষ্ট মিলিটাৰি আছে। তেজপুৰত মিলিটাৰিৰ বাবে খাদ্য বস্তু বাহিৰৰ পৰা আহিব লগা হৈছে। মাছ, মাংস, কণী ইত্যাদি লাগতিয়াল সামগ্ৰী অসমতে উৎপাদন কৰি মিলিটেৰিক যোগান ধৰিব পাৰি। কিন্তু এইটো দুৰ্ভাগ্যৰ কথা যে, বিহাৰ, ইউ,পি আদিৰ পৰা আজি এই খাদ্য সামগ্ৰী

বিলাক মিলিটেৰিৰ বাবে আনিব লগা হৈছে। আজি আমাৰ দেশত এইবিলাকৰ উৎপাদন কৰিব পৰা নাই। আজি যদি আমি সকলো মানুহ চৰকাৰী চাকৰিৰ মুখাপেক্ষীহে হওঁ, শিল্পৰ প্ৰতিও আগ্ৰহানিত নহওঁ, আমি তেতিয়া সকলো মানুহকে সমানে আগবঢ়াই নিব নোৱাৰিম। সেইবাবে আজি আমি আমাৰ চিন্তাধাৰা বদলি কৰিব লাগিব। ৰাজনৈতিক দল সমূহে নেতৃত্ব ভালদৰে দিব লাগিব। সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত প্ৰেৰণা যোগাব পাৰিব লাগিব। মানুহৰ জনমূৰি আয় বঢ়াবৰ বাবে যত্ন কৰিব লাগিব। সৰু সৰু কিছুমান উদ্যোগ স্থাপন কৰিও আমি মানুহৰ উপাৰ্জ্জনৰ ৰাস্তা উলিয়াব পাৰো। বে চৰকাৰী খণ্ডত সমবায়ৰ জৰিয়তে, গঠনমূলক অনুষ্ঠানৰ জৰিয়তে আমি দেশক উন্নতিৰ পথেদি আগবঢ়াই নিবলৈ যত্ন কৰিব পাৰো। ১৯২১ চনতে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন আৰম্ভ হয়, তেতিয়াই মহামানৱ মহাত্মা গান্ধীয়ে ভাৰতৰ জনসাধাৰণক সূতাকটাৰ ওপৰত গুৰুত্ব দিবলৈ কৈছিল। কিয়নো সূতা কটাৰ জৰিয়তে ভাৰতৰ লোক ভবিষ্যতে স্বাৱলম্বী হব পাৰিব। ভবিষ্যতে বৃহৎ উদ্যোগ সমূহে ভাৰতৰ অৰ্থনীতিৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশংকা কৰি গান্ধীজিয়ে ভাৰতৰ মানুহক কুটিৰ শিল্পৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ কৈছিল। সেইকাৰণে কুটিৰ শিল্প প্ৰচাৰ কৰিবৰ উদ্দেশ্যে গান্ধীজিয়ে গঠনমূলক কামত স্বেচ্ছাসেৱক কৰ্ম্মী নিয়োগ কৰিছিল কিন্তু আজি দেখা গৈছে আমাৰ চৰকাৰে এইকামবিলাকৰ প্ৰতি বিশেষ মনোযোগ দিয়া নাই। গতিকে আজি আমি মনত ৰাখিব লাগিব যে, আমাৰ দেশৰ মূল সমস্যা বিলাক সমাধান কৰিবৰ হলে আজি আমাৰ মাজৰ পৰা গঠনমূলক কৰ্ম্মী উলিয়াব লাগিব। বে-চৰকাৰী খণ্ডটো কিছুমান গঠনমূলক কামৰ আঁচনি লৈ আগবাঢ়িব লাগিব তেতিয়াহে মানুহৰ জীয়াই থকাৰ যি হেপাহ তাক সাৰ্থক হব। আৰু মানুহৰ উপাৰ্জ্জনৰ ৰাস্তা ওলাব। নহলে আমাৰ দেশ দিনে দিনে ধ্বংসৰ ফালে আগবাঢ়ি যাব। গতিকে অধ্যক্ষ মহোদয়, আমাৰ অৰ্থনীতিৰ উন্নয়নৰ ক্ষেত্ৰত সুদৃঢ় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব — প্ৰশাসনীয় যন্ত্ৰ ইয়াৰ বাবে সুস্থ সবল হব লাগিব, আমাৰ অপব্যয় বন্ধ কৰিব লাগিব প্ৰত্যেকে নিজ নিজ দায়িত্ব বুজিব পাৰিব লাগিব। তেতিয়া আমাৰ দেশৰ অৰ্থনীতি তথা সকলো ক্ষেত্ৰতে উন্নতি আৰু মংগল হব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Bhubanewar Barman : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যি বাজেট আমাৰ আগত দাঙি ধৰিলে এই বাজেট আনবাৰৰ বাজেটতকৈ

সম্পূৰ্ণ বেলেগ হব বুলি আমি আশা কৰিছিলো। কিয়নো কংগ্ৰেছে সমাজবাদ প্ৰতিষ্ঠা কৰিব বুলি জয় ঢাল কোবাইছিল আৰু জনসাধাৰণে তেওঁলোকক বিপুল ভোটাধিক্যত জয়যুক্ত কৰিলে। কিন্তু এই বাজেট দেখি আমি হতাশ হৈছো। কিয়নো নিৰ্ব্বাচনৰ সময়ত যি আশ্বাস জনসাধাৰণক দিয়া হৈছিল সেই আশ্বাস ভঙ্গ কৰা হৈছে। এই চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। যিহেতু চৰকাৰে যি ভুল আৰু অশুদ্ধ পথেৰে বাট বুলিছিল সেই ভুল শুধৰোৱাৰ কোনো ইঙ্গিতেই এই বাজেটত পৰিলক্ষিত হোৱা নাই। বিশেষকৈ আজি আমাৰ বিভাগ বিলাকৰ ভিতৰত শিক্ষা বিভাগৰ কথাকে কওঁ। শিক্ষা বিভাগৰ জৰিয়তেই আমাৰ ভবিষ্যতে নাগৰিক সকলক গঢ়ি তোলা হয়। বিশেষকৈ সমাজবাদী ৰাষ্ট্ৰ এখনত শিক্ষাৰ বিভিন্ন স্তৰৰ পাৰ্থক্য থকা টো উচিত হোৱা নাই। আমাৰ এই দেশতে মন্তেশ্বৰী স্কুল, বুনিয়াদী স্কুল পাবলিক স্কুল, সৈনিক স্কুল আদি বিভিন্ন ধৰণৰ স্কুল ৰখাটো উচিত হোৱা নাই। এতিয়া যিটো শিক্ষা দিয়া হৈছে এই শিক্ষাৰ দ্বাৰা নিবনুৱা সমস্যা সৃষ্টি কৰাত ইন্ধন যোগাইছে। প্ৰকৃততে শিক্ষা হব লাগে কৰ্ম্মমুখী। চাকৰি পালেই শিক্ষাৰ মূল্য বাঢ়ি যায় আৰু চাকৰি নাপালে জীৱনলৈ ব্যৰ্থতা মাতি আনে। আমাৰ যি নিয়মত আৰ্থিক মঞ্জুৰী দিয়া হৈছে, সি ঠিক হোৱা নাই। এই ক্ষেত্ৰত গাৱঁৰ মানুহে স্কুলৰ মঞ্জুৰীৰ কাৰণে চিলঙলৈ অহা যোৱা কৰে। মন্ত্ৰীৰ ঘৰলৈ অহা যোৱা কৰে, M.L.A ৰ ঘৰলৈ অহা যোৱা কৰে কিন্তু তাৰে ভিতৰত কিছুমানে পাব আৰু কিছুমান নাপায় অযথা ৰাইজৰ ধনৰ খৰচ হয়। সেই কাৰণে মই চৰকাৰক পৰামৰ্শ দিব খুজিছো যে এই আৰ্থিক মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত এটা নীতিগত ভাৱে কমিটি গঠন কৰিব লাগে আৰু যিখিনি টকা দিয়া হয় সেই টকা খৰচ হয়নে নহয় তাক চোৱাৰ ব্যৱস্থা কৰিব লাগে। আমি জানো বহুত স্কুলত বিজ্ঞান ক্লাছ কৰাৰ কাৰণে আৰু কাৰিকৰি classৰ কাৰণে মঞ্জুৰ দিয়া হৈছে। বহুত স্কুলত বিজ্ঞানৰ কাৰণে মঞ্জুৰ দিছে সা-সৰঞ্জাম কিনাৰ কাৰণে। কিন্তু শেষত বিজ্ঞানৰ class নহয় আৰু বস্তুবোৰ কমত বন্ধ, কৰি ৰখাৰ। ফলত নষ্ট হৈ যায়। এইবোৰ কিয় ব্যৱহাৰ কৰিব পৰা নহয় তাৰ কাৰণে জানিবৰ বাবে চোৱাৰ ব্যৱস্থা নাই আনহাতে আমি দেখিছো শিক্ষাৰ নামত বহুত টকা খৰচ হৈছে, কিন্তু বাস্তৱ ক্ষেত্ৰত টকাৰ সৎ ব্যৱহাৰ কৰা নাই। কিছুমান ঠাইত কাৰিকৰী শিক্ষা নিয়োগ কৰা হৈছে, কিন্তু পঢ়াবৰ কোনো সুব্যৱস্থা নাই। গতিকে এই টকাবিলাক খৰচ কৰাৰ ক্ষেত্ৰত চোৱাৰ ব্যৱস্থা হব লাগে। মই শঙ্কৰদেৱ কলেজৰ কথা উল্লেখ কৰিব খুজিছো। তাত বিজ্ঞানৰ class কৰাৰ

কাৰণে হাজাৰ হাজাৰ টকা চৰকাৰৰ পৰা নিলে, কিন্তু হঠাতে বিজ্ঞান class বন্ধ কৰি দিলে, শিক্ষকক বিদায় দিলে ছাত্ৰক বিদায় দিয়া হ'ল। কিয় বন্ধ কৰা হ'ল চৰকাৰে এবাৰ সুধিলে। শুনিছো যে তাৰ governing bodyৰ চেয়াৰমেন আমাৰ মুখ্যমন্ত্ৰী মহোদয়। গতিকে এই ধৰণে বহুত খেলিমেলি হৈ আছিছে। ইয়াৰ সমাধান লাগে।

অধ্যক্ষ মহোদয়, হিন্দীশিক্ষকৰ ক্ষেত্ৰত একশ শিক্ষক দিয়াৰ কথা যোৱা বছৰ সদনত প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়া বিত্তীয় বিভাগে নাকচ কৰিছে বুলি শুনিছো। যদি grant হৈছে, তেন্তে ভাল কথা। কিন্তু এই একশজন শিক্ষক যথেষ্ট নহয়। বহুত M.E, High School আদিত হিন্দী শিক্ষক নোহোৱাকৈ চলি আছে। গতিকে ৫শ হিন্দী শিক্ষকৰ প্ৰয়োজন হব। হিন্দী শিক্ষকক মঞ্জুৰী দিয়াৰ ক্ষেত্ৰত প্ৰথমতে অগ্ৰাধিকাৰ দিব লাগে। তাৰ পিচত দৰমহাৰ যিটো বৈষম্য বনাব লাগে। ১-১০ ভিতৰত হব লাগে। আমাৰ এই নতুন বেতন নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত তল খাপৰ কৰ্ম্মচাৰী সকল যাতে অধিক উপকৃত হয়, সেই ব্যৱস্থা কৰিব লাগে। বস্তুৰ চৰা দাম নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ ব্যৰ্থ হৈছে। চৰকাৰে কেতিয়াবা বস্তুৰ ওপৰত control কৰে কেতিয়াবা আংশিক ভাৱে control কৰাৰ বাবে বস্তুৰ দামৰ স্থিৰতা নোহোৱা হয়। বস্তুৰ চৰা দাম হোৱাৰ ফলত চৰকাৰী নীতিয়ে দায়ী গতিকে গ্ৰাহকে সমবায়ৰ যোগেদি পোনপটিয়া ভাৱে বস্তু পাব পাৰে আৰু উৎপাদনকাৰীয়ে যাতে বস্তুৰ উচিত দাম পায় তাৰ ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমানৰ নিবনুৱা সমস্যাৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগে। সেই কাৰণে পোন প্ৰথমতে আমাৰ কুটীৰ শিল্প বিলাক জীৱিত কৰাৰ ব্যৱস্থা কৰিব লাগে। আনহাতে নতুন উদ্যোগৰ নামত যি ঋণ দিয়া হয়, তাৰ দ্বাৰা উদ্যোগ স্থাপন কৰিছে নে নাই চাব লাগে। মই জনাত কিছুমানে হোমিওপ্যাথিক পিল বনোৱাৰ বাবে টকা ধাৰে নিলে কিন্তু শেষত সেই টকা ঘৰতুৱাৰ বন্ধা আদি কামত খৰচ কৰিছে। সেই কাৰণে যি উদ্দেশ্যে টকাটো দিয়া হয়, প্ৰকৃততে তাত খৰছ কৰিছেনে নাই সেইটো চোৱাৰ ব্যৱস্থা হব লাগে।

দেশৰ অৰ্থ নৈতিক অৱস্থা যদি উন্নত কৰিব লগা হয়, তেন্তে পোন প্ৰথমে কৃষি ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে এই আমোল পৰিবৰ্ত্তন কৰিব লাগিলে এবিঘা মাটিৰ পৰা ৪/৫ মোন ধান উৎপন্ন কৰাৰ পৰিবৰ্ত্তে কেনেকৈ অধিক শস্য উৎপাদন কৰিব পৰা যায় চাব লাগে।

তাৰ ওপৰিও বিভিন্ন খেতি কৰিবৰ কাৰণে যাতে ব্যৱস্থা কৰিব পাৰে আৰু তাৰ বাবে ৰাইজক উৎসাহ উদ্দীপনা দিব লাগে আৰু সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগে। আমাৰ গাৱে ভূঞে বিদ্যুৎ লাইট হোৱাত ভাল পাইছো। কিন্তু বিদ্যুৎ যদি পাঙ্খা আদিৰ বাবেহে হয় তেন্তে বিদ্যুৎ দিয়াৰ উদ্দেশ্য ভুল হব। আমাৰ গাৱে ভূঞে যিবিলাক নদী আছে তাৰ পৰা বিদ্যুৎৰ যোগেদি পানী আনি ১২ মাহে খেতি কৰাৰ ব্যৱস্থা কৰিব পাৰে। ১২ মাহে যদি খেতি কৰা হয় তেন্তে শস্যৰ উৎপাদন বাঢ়িব। এই ধৰণে কৰিলে বাৰিষাৰ ধ্বংশমূখী বানপানীয়ে যি নষ্ট কৰে সি অতি নগণ্য হব।

যদি মাটিহীন লোকৰ দ্বাৰা এটা ভূমিসেনাবাহিনী তৈয়াৰ কৰি দি খেতি আৰম্ভ কৰিলে খাদ্য সমস্যা সমাধান কৰিবলৈ চৰকাৰ আগবাঢ়ি আহিব পাৰিব। যদিও বিত্তমন্ত্ৰী মহোদয়ে বানপানী প্ৰতিৰোধৰ আশ্বাস দিছে তথাপি কোনো কাম আমি দেখা নাই।

(সময়ৰ সংকেত)

পতিত মাটিবিলাক মাটিহীন খেতিয়কৰ মাজত ভগাই দিব লাগে তেহে কৃষি উৎপাদন বৃদ্ধি হব। আকৌ যিসকলে ইতিমধ্যে তেনেকুৱা মাটি দখল কৰি খেতি কৰি আছে তেনেলোকক উচ্ছেদ কৰিব নালাগে। খেতিৰ ফচল হলে উচ্ছেদ নকৰি সেই ফচল গোটাবলৈ সুবিধা দিব লাগে। তাকে নকৰি ফচলসহ নীলামত বিক্ৰী কৰি দিলে কিছুমান দালালকহে সুবিধা দিয়া হব। যোৱা ১৫ জানুৱাৰীত মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত বজালীৰ শিমলা আৰু উলুৱাত স্মাৰক পত্ৰও দাখিল কৰি কিছুমান অভিযোগ আনিছে যে দেৱানীৰ তলত যিবিলাকে খেতি কৰিছে তেওঁলোকক চৰকাৰে উচ্ছেদ কৰা নাই। আনহাতে সংঘবদ্ধ ভাৱে খেতি কৰা কৃষকসকলক উচ্ছেদ কৰি আছে। এই দেৱানীসকলক উচ্ছেদ কৰিম বুলি ১৫ তাৰিখে মন্ত্ৰীডাঙৰীয়াই প্ৰতিশ্ৰুতি দি আহিছিল। কিন্তু আজিলৈকে কোনো কাম হাতত লোৱা নাই।

(সময়ৰ সংকেত)

Mr. Speaker :— ১০ মিনিট হৈছেই। আকৌ বহুতে কবলৈ আছে।

Shri Bhubanewar Barman :— বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত এটা কথা কব খুজিছোঁ যে বৰ্ত্তমান বাননিয়ন্ত্ৰণ অৱস্থা ভয়াবহ অৱস্থাত পৰিণত হৈছে। বৰ্ত্তমান

বছৰতো কোনো মথাউৰি মেৰামতি কৰা নাই। ৰাইজক আশ্বাস দি আহিছিল যদিও কোনো কাম নহল। ব্ৰহ্মপুত্ৰ কমিচন কৰিছে যদিও E ৪০ আৰু ব্ৰহ্মপুত্ৰ কমিচনৰ অৰিয়া অৰিব ফলত কোনো কাম হোৱা নাই। আৰু ফলত ৰাইজ ভয়াবহ অৱস্থাৰ সন্মুখীন হৈছে।

(সময়ৰ সংকেত)

মৰা পাগলাদিয়া নিয়ন্ত্ৰণ কৰিম বুলি চৰকাৰে আশ্বাস দি আহিছিল যদিও আজিলৈকে কোনো কাম কৰা নাই

(সময়ৰ সংকেত)

বাৰে বাৰে সমাজবাদ স্থাপন কৰিম বুলি কোৱা বিত্তমন্ত্ৰী মহোদয়ে ১৯৫৬ চনতে মাথাউৰিত অধিগ্ৰহণ কৰা মাটিৰ বাবে খেতিপূৰণ দিয়া নাই। সমাজবাদ কৰিব খুজিছে যদি তেনেহলে ২০ বিঘা মাটিৰ খাজনা মাফ দি দিবলাগে আৰু তাৰ ওপৰঞ্চি মাটিতহে কৰ লগাব লাগে। ইয়াকে কৈ মই বাজেট ভাষণৰ বিৰোধীতা কৰি বক্তব্যৰ সামৰণি মাৰিলোঁ।

Dr. Bhupen Hazarika : অধ্যক্ষ মহোদয়, এই বাজেটখন সুন্দৰ হৈছে ভাষাৰফালৰ পৰা। কিন্তু মন্ত্ৰীমহোদয়ক ধন্যবাদ দিছো কিয়নো অসমীয়াৰে সুন্দৰ লিখিছে। কিন্তু বৰ্ত্তমান সময়ত অতি প্ৰয়োজনীয় কথা হ'ল আত্ম-নিয়োগৰ নতুন আন্দোলন সৃষ্টি কৰা আৰু সেই বিষয় সমূহৰ ওপৰত শিক্ষিত লোকসকলক প্ৰাধান্য দিয়াটোহে। এই কথাখিনিৰ লগত যদি অংকখিনিৰো সামঞ্জস্য থাকিলহেতেন মই সঁচাকৈয়ে আনন্দিত হলোঁহেতেন। কিন্তু ভাষা আৰু কামৰ মাজত কোনো সঙ্গতি দেখা পোৱা নাই। অতীজৰ ভেটিৰ ওপৰত থিয় হৈ সেই ভেটিৰ লগত সামঞ্জস্য ৰাখি অদূৰ ভবিষ্যতৰ, অনাগত ভবিষ্যতৰ বাবে সাধাৰণ মানুহৰ উন্নতিৰ বাবে ভাবিব লাগিব। মই অৰ্থনীতিৰ বিশেষজ্ঞ নহলেও, সেই শ্ৰমজীৱী মানুহৰ কথাকে কবলৈ খুজিছোঁ।

১৯৬৯ চনত বিভিন্ন বিভাগত ১৭.৩৪ কোটি টকা আদায় কৰিব পৰা নাই। কিন্তু কিয় আদায় কৰিব পৰা নাই? নিশ্চয় পুঁজিপতি সকলৰ লগত দুনীতি-মূলক অভিসন্ধি লৈ হাত মিলাইছে আৰু কোনোবাই কাৰোবাক পকেটত সুমুৱাই ৰাখিছে। সেই বাবেহে ১৭.৩৪ কোটি টকা উঠাব পৰা নাই। ৰাজ্যখনত

ধাৰ আছে ২৫৫.৫৩ কোটি টকা। আকৌ এইবাৰ বাঢ়িছে ৩২.৮৬ কোটি টকা। Arrear of Assessment ১৮৭৬ টা Case Pending আছে। তদুপৰি Cost of Misappropriation যিখিনি বিত্তমন্ত্ৰী মহোদয়ে দাঙি ধৰিছে তাত আমি হতাশ নহৈ নোৱাৰোঁ। চৰকাৰী পৰ্য্যায়ত ১১ টা কোম্পানী খুলিছে কিন্তু তাৰে ভিতৰত ৫ টা কোম্পানীৰেই কোনো হিচাব নাই। যি কেইটাৰ হিচাব দিছে সিও লোকচানৰ সন্মুখীন হৈছে।

সাধাৰণতে সকলোৱে কৃষিৰ কথা সদনত কৈ আহিছে। সকলো দলেই সকলো নেতাই কৈ থাকে। অসমত আজিও কৃষি ভিত্তিক অৰ্থনীতি হোৱা নাই বুলি ভাবো। কৃষিৰ পৰা উৎপন্ন হোৱা কিছু কিছু উদ্যোগৰ লাভাংশ আকৌ কৃষিৰ কাৰণে লগাব পৰা হব লাগে। কিন্তু আজি ২৪ বছৰে তেনে Selfrotating economy চৰকাৰে দিব পৰা নাই। ৺জৱহৰলাল নেহৰু জীৱেও দিব নোৱাৰিলে। বিত্তমন্ত্ৰী ডাঙৰীয়াৰ ভাষণতো তাৰ উল্লেখ নাই। তাৰ পিচত সৰু সৰু কথালৈ আহোঁ All India Price index ত অসমৰ Rate উৰ্দ্ধতম। অসমৰ পৰা সকলো লৈ যায় বাহিৰলৈ কঠাল লৈ যায় আৰু অসম বাহজক বাহু দি দিয়ে। সিদিনা শিক্ষিত ভাগৱতীদেৱে কৈছিল যে Parliament এ মতাক তিৰোতা আৰু তিৰোতাক মতা কৰাৰ বাহিৰে সকলো কৰিব পাৰে। আমাৰ চৰকাৰ কেতিয়া পুৰুষ হব? নাৰীসুলভতা কেতিয়া এৰিব? দৰকাৰ হলে ভাৰতৰ সংবিধান সংশোধন কৰিব পৰা সাহস থাকিব লাগিব অসম চৰকাৰৰ আবকাৰী কৰকে আদি কৰি সকলোবিলাক কেন্দ্ৰই উপভোগ কৰি থাকে। অসম চৰকাৰৰ নাৰীসুলভতা আছে নে ভিক্ষাৰী মনোবৃত্তি আছে সেই কথা বাজেটত উল্লেখ নাই।

C.R.P. ৰ কাৰণে ৪১৮ লাখ টকা খৰছ কৰিছে। কিয় আমাৰ অসমৰ নতুন নতুন থলুৱা ডেকা সকলক সেই কামত নিয়োগ কৰি নতুন battallion raise কৰিব নোৱাৰি কেলেই? তেতিয়া নিবনুৱা সমস্যাও কিছু পৰিমানে সমাধান নিশ্চয় হব। "কেৱল চৰকাৰী চাকৰিৰ মুখাপেক্ষী হোৱাতকৈ লাভজনক কৃষি আৰু উদ্যোগৰ কাম-কাজত নিয়োজিত হোৱাৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ ধাবিত কৰিবলৈ সুচিন্তিত প্ৰচেষ্টা চলাব লাগে।' সুন্দৰ কথাই কৈছে বিত্ত-মন্ত্ৰী ডাঙৰীয়াই। কিন্তু কিহেৰে উদ্যোগ কৰে। বেংক ৰাষ্ট্ৰীয়কৰণ কৰি কি কৰিছে? যিদিনা এজন ল'ৰা 'লাঞ্চিত সেনাৰ' দৰে মোৰ ওচৰলৈ আহিছে Central Bank is one of the 14 nationalised bank.

Central Bank of Gauhati লৈ গৈ তেওঁ নিজৰ মাটি অলপৰ (উলুবাৰীৰ ওচৰত দখুৱা স্বত্বেও) বিনিময়ত তেওঁক ১৪ হাজাৰ টকাৰ ভিতৰত আজি দুবছৰে ১ হাজাৰো টকা ধাৰ দিয়া নাই। শ্ৰীৰমেশ বৰুৱা মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত Holder Permit লৈ গৈ আজি দুবছৰে Renew কৰিছে আছে। টকা নাই। আজি আকৌ উদ্যোগ মন্ত্ৰী বিশ্বদেও শৰ্মাক ভূপেন হাজৰিকাই বাৰ বাৰে কৰলগীয়া হৈছে। সেই চেকাজনৰ বাবে কিয়? সেই বেংকৰ Manager এ কৈছে These are unprofitable things and I don't understand why Government gives it.

সেই কাৰণেই এই বিলাকলৈ কোনো ডেকা আকৰ্ষিত নহয়। ফলত Non creative energy release কৰে আৰু সেয়েই বিক্ষোভৰ পৰা খান্দৱদাহ হোৱাৰো উপক্ৰম হয়। দেশৰ gradual development হব লাগে বুলি কৈছে কিন্তু চমজেলেকুৱাৰ নিচিনা হব নালাগে। Associated Industry (চন্দ্ৰপুৰৰ) কথা কৈছে। আমাৰ সদনৰ বাহিৰত বৰষুণত ভিজি ভিজি সেই শ্ৰমিকসকলে নৈতিক বৰম বিচাৰিছে। এটা কথা। মই সংকীৰ্ণ নহওঁ। এই শ্ৰমিকখিনি থলুৱা অসমীয়া। Tribal অসমীয়া মানুহ। শ্ৰমিক তেওঁলোকেই হৈছে। কিন্তু দুখৰ কথা বিপদ অসমৰ এই থলুৱা শ্ৰমিকবাহে বেছি। উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই সহায় কৰিবলৈ চেষ্টা কৰিছে। ভাল কথা। থলুৱা মানুহৰ দুখ, কান্দোন বুজে। বুজা উচিত। নহলে পলম হৈ যাব সকলো।

I.A.S. Cadre ৰ কথা কওঁ। তেওঁলোক মহা মহা পুৰুষ। ডাঙৰ ডাঙৰ মন। পিচে Industry cadre ৰ অফিচাৰ নহলে Industryৰ অৱস্থা শোচনীয় হব তাৰ উদাহৰণ বাজেটতে আছে। Industry বোৰ অসমত থলুৱা মানুহৰ বাবে 'শোষণভৰা উপনিবেশ' হব নেলাগে। তাৰ পিচত কওঁ pnohibition ৰ কথা। এই বস্তুটো উঠাই দিয়ক। গুৱাহাটীত উজানবজাৰতে ৪১০খন অবৈধ সুৰাৰ দোকান আছে। মিলিটাৰীৰ পৰা ৬টকাত 'ৰাম' কিনি ২০ টকাত বিক্ৰি কৰে।

(এই অংশত সদনত হাহিৰ ৰোল উঠে) prohibition থকাই চৰকাৰে কৰ হেৰুৱাইছে আৰু অবৈধ সুৰা বেপাৰী লাখপতি হৈছে। ফণী বৰা ডাঙৰীয়াও জানে যিসকলে সুৰা সেৱন কৰি এতিয়া এৰি দিছে সেই সকলে জানে. আৰু সুৰাসেৱী সকলেও জানে। একো লজ্জাৰ কাহিনী নহয়। এই prohibition টো উঠাই দিব লাগে

কিয়নো। class VII ৰ ল'ৰায়ো গুৱাহাটীৰ অবৈধ দোকানৰ পৰা মদ খাব পাৰে। গান্ধীজীৰ অপমান নহয়। তেখেতে সুৰা খাবলৈ কোৱা নাছিল। তেখেতে মাছ মঙহো খাবলৈ কোৱা নাছিল। মৎস্য মন্ত্ৰী হাজৰিকাই বেয়া নাপায়। বেয়া পোৱা উচিত নহয়। গান্ধীজীয়ে নিৰামিষ খাবলৈহে কৈছিল যেনেকৈ মীনমন্ত্ৰী ডাঙৰীয়াই চৰকাৰীভাৱে মাছৰ ব্যৱসায় কৰি থাকে তেনেকৈ আৱকাৰী মন্ত্ৰীয়েও prohibiton উঠাই দি কৰ আদায় কৰক।

এনে Source of income বোৰৰ কথাৰ উল্লেখ বিত্তমন্ত্ৰী মহোদয়ৰ বাজেটত নাই। সাধাৰণ মানুহৰ কাৰণে কোনো কথাই ভবা নাই। সাধাৰণ মানুহৰ কথা ভাবিবলৈ বা তেওঁলোকৰ প্ৰতি সহাঁৰি জনাবলৈ অৱসৰ নাই। অৰ্থনৈতিক আৰু সমাজবাদৰ বোৰঁতি সূতি ইয়াত নাই।

এইবাৰ সেই কাৰণেই কুহিয়াৰ পেৰাদি আমাৰ বাইজক পেৰিছে। চানকড়া ধনৰে বলত। চান কাঢ়িছে এই ১৭ কোটি টকা চান কাঢ়িছে। অনাদায়ী কৰ পুজি-পতিৰ পৰা তুলিব পৰা নাই! সেয়ে সমাজবাদ' মিছা Slogan। সেয়েহে অসমৰ মানুহ এইবাৰ বিহুতলীত নিশ্চয় গাব।

'কুঁহিয়াৰ পেৰাদি আমাক যি পেৰিছে  
চান কড়া ধনৰে বলত,  
বিহুটো যাওক গই, সিংতক চাই লম  
খাই ললো আজিয়েই শপত।'

Shri Upendra Nath Sanatan :—অধ্যক্ষ মহোদয়, মই এই বাজেটখন পঢ়ি চালো আৰু এই বাজেটৰ ওপৰত কেইযাৰ মান কথা কব খুজিছো। এতিয়া যিখন বাজেট আমাৰ House লৈ আনিছে ১৯৭১ চনৰ বাবে সেইখন সন্তোষজনক বাজেট। আজি বহুত ঠাই পিচপৰি আছে সেই পিচপৰা অঞ্চল বিলাকৰ কাৰণে ইয়াত ব্যৱস্থা ৰখা হৈছে। ডিব্ৰুগড়, গুৱাহাটী আদি ঠাইৰ লগতে তিনিচুকীয়াৰ কথাও ইয়াত ভালভাৱে ব্যৱস্থা হোৱাটো ভাল কথা হব। কিয়নো আজি তিনিচুকীয়া এখন বিখ্যাত ঠাইৰ নিচিনা হৈছে। তাৰ পিচপৰা অঞ্চলখিনিলৈ লক্ষ্য কৰিলে নিশ্চয় অতি সোনকালে ইয়াৰ উন্নতি আশা কৰিব পাৰি।

তিনিচুকীয়া এখন Commercial ঠাই। তিনিচুকীয়া চহৰৰ চাৰিওফালে Industry ভৰি আছে। কিন্তু শদিয়াৰ পৰা ডিব্ৰুগড়লৈ এজন মানুহ আহিব লাগিলে তিনি দিন সময় লাগে। সেই কাৰণে তিনিচুকীয়াত মহকুমা স্থাপন কৰিব লাগে। এই সম্পৰ্কে ৰাইজে ৩/৪ বছৰৰ পৰা চিঞৰ-বাখৰ কৰি আছে; কিন্তু আজিলৈ তিনিচুকীয়াত মহকুমা নোহোৱাৰ কাৰণে, শদিয়াৰ পৰা মানুহ ডিব্ৰুগড় Court লৈ আহিব লাগে আৰু আহোঁতে দুদিন আৰু যাওঁতে দুদিন সময় লাগে। সেই কাৰণে ৰাইজৰ সুবিধাৰ বাবে তিনিচুকীয়াত এটা মহকুমা স্থাপন কৰিব লাগে।

তাৰ পিচত মই মাটিৰ সম্পৰ্কত কব খুজিছো যে এতিয়া চৰকাৰে চিলিং আইন কৰিছে আৰু চাহ বাগানবোৰতো চিলিং আইন হ'ল। কিন্তু যিসকলে আগৰে পৰা বাগানৰ মাটি দখল কৰি আছে, অফিচাৰ সকলে সেই মাটি আনক দি দিছে। আজি ৰাজিপুৰা লক্ষীজান বাগানৰ এনেকুৱা ৰিপৰ্ট পাইছো। ডিব্ৰুগড় মহকুমাৰ ৰঙাগড়া বাগানত আজি ২০।২৫ বছৰে যি সকলে মাটি খাই আছিল, মণ্ডলে গৈ সেই মাটি খুটি পুতি আহিছে। মজদুৰ সকলৰ ঘৰ দুৱাৰ ভাঙি উঠাই দিছে।

Shri Biswadev Sarma :—আমাৰ চৰকাৰৰ instruction আছে মৌজাদাৰে মাটিবিলাক খাই আছে। এতিয়া মণ্ডল, কানানগুৱে Record of right কৰিছে, Under law একো কৰিব নোৱাৰে।

Shri Upendra Nath Sanatan :—বহুদিন খাই থকা মাটিবিলাক মণ্ডলে আন কিছুমান মানুহক দখল দি দিছে। সোনকালে D. C. লৈ লিখিছে, D. C. এ পঠিয়াই দিছে Settlement Officer লৈ। Settlement অফিচাৰে কাগজত থৈ দিছে। কিন্তু আনহাতেদি মানুহবিলাকৰ ঘৰদুৱাৰ ভাঙিছে। এই ধৰণে জনসাধাৰণৰ মনত অশান্তি হৈছে। আমাৰ চৰকাৰে কাম নকৰা নহয়, কিন্তু এই ধৰণে টকা খৰছ কৰি কাম কৰিলে জনসাধাৰণৰ কল্যাণৰ বাবে কাম কৰিছে বুলি ৰাইজে কেনেকৈ ভাবিব? গতিকে ইয়াৰ এটা গতি সোনকালে ব্যৱস্থা কৰিব লাগে। ৰংমলা T. E. ৰ বকডোং বাগানত বহুদিনৰ পৰা যিখিনি মাটিত মানুহ বহি আছে তাত এজন পঞ্জাবী মানুহে Tractor লগাই জংঘল আদি ভাঙি দিছে। এই সম্পৰ্কে D. C. লৈ লিখাত, D. C. এ Settlement Office লৈ পঠাই দিছে। তাৰ পিচত মণ্ডলক মাতিব আহিলে, মটৰ গাড়ী লগেহে যাম বুলি কলে। শেষত মটৰেৰে লৈ যোৱা হ'ল; কিন্তু গৈ পঞ্জাবীজনৰ লগত কথা বতৰা পাতি গুচি আহিছে। যদি এই ধৰণে

হয় তেন্তে জনসধাৰণৰ কল্যাণৰ বাবে কাম কৰিছে বুলি কেনেকৈ কব পাৰি ? ইয়াৰ এটা ব্যবস্থা লবৰ কাৰণে D. C., Settlement Officer আৰু Revenue minister ক অনুৰোধ কৰিছো । মই এতিয়া আবকাৰী বিভাগৰ বিষয়ে অলপ কব খুজিছো । ২০ তাৰিখে দিনজান T. E. ত ঘটা ঘটনাৰ বিষয়ে কব খুজিছো আবকাৰী বিভাগৰ Supdt. Dy. Supdt আদি অফিচাৰ আছে, এই বিলাক চৰকাৰৰ Servent নহয়, মহলদাৰৰ Servent । কেনেকৈ মহলদাৰে পানী মিহলাই পইচা পাব পাৰে তাৰহে ব্যৱস্থা কৰে। ৰতিপুৰা ৫ বজাত মজদুৰৰ ঘৰত লাওপানী বিচাৰি সোমাইছে। জোতাৰে ভাত ৰন্ধা ঘৰত সোমাই, ভৰিৰে লঠিয়াই দিয়ে। কলহত কেৱল পানী থাকে, শুকান চাউল থাকে, সেইবিলাক উঠাইলৈ আহে আৰু ২০।২৪ টকা জৰিমনা কৰে। এই বিলাকৰ প্ৰতিবাদ কৰিলে পুলিচে মজদুৰৰ ওপৰত গুলীচালনা কৰিব। গতিকে এই অত্যাচাৰ যাতে গৰীব সকলৰ ওপৰত নহয় তাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ উন্নতিৰ কাৰণে টকা দিয়ে কিন্তু কৃষিৰ বাবে টকা নাই দিয়া। গতিকে আমাৰ পিচ পৰা লোকসকলৰ বাবে টকা দিয়াৰ ব্যৱস্থা হব লাগে। আমাৰ দেশৰ সকলো মানুহে খাব পাব লাগিব। সুযোগ সুবিধা পাব লাগিব। আমাৰ দেশত বঙাইগাৱঁ শোধনাগাৰত অকল স্থানীয় লোকেহে চাকৰি পাব, শিৱসাগৰ, ডিব্ৰুগড়ৰ লোকে চাকৰি পাব নালাগে। যদি এই ধৰণে হয়, তেন্তে দেশত industry কৰি নিবনুৱা সমস্যা সমাধান হব জানো ?

আজি নিবনুৱা সমস্যা বাঢ়ি যোৱাৰ কথা কৈছে, কিন্তু তাক সমাধানৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে। কৃষি বিভাগে যিবিলাক আচঁনি লৈছে সেই বিলাক আচঁনি লোৱাতে আছে তাৰ দ্বাৰা আমাৰ কিবা কাম হৈছে জানো ? আৰু ধান উৎপাদন বা শাক পাচলিৰ উৎপাদন সেই আচঁনি বিলাকৰ দ্বাৰা কিবা সুবিধা হৈছেনে ?

এতিয়া আমাৰ পশু পালনৰ কথা কৈছে। কিন্তু আমি দেখিবলৈ পাইছো যে ভেটাৰীনাৰী ডিপাৰ্টমেণ্টটোতো Family Planning কৰা যেন হে লাগিছে। চৰকাৰে মুৰ্গী পুহিবলৈ দিছে তাৰ কাৰণে উন্নত মুৰ্গীৰ সচোঁ চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে। কিন্তু এই মুৰ্গী বিলাকে কণী নাপাৰে। আৰু এই মুৰ্গী বিলাক দুখীয়া মানুহে পোৱাৰ পৰিবৰ্ত্তে অফিচাৰ সকলেহে পাইছে। আৰু তাৰ পৰাই সময়ত কণী সংগ্ৰহ কৰি আনি প্ৰদৰ্শনী আদিত দেখুৱাইছে।

আমাৰ চৰকাৰে জলসিঞ্চনৰ কাৰণে যি ব্যৱস্থা কৰিব লাগে সেইবিলাক ব্যৱস্থা এতিয়াও কৰা নাই। মোৰ সমষ্টিত ৪৫ হাজাৰ টকা খৰচ কৰি এটা পাইপ লাইন বহুৱালে। কিন্তু এই পাইপেৰে পানী আনি খেতি পথাৰত পানী যোগান ধৰিব নোৱাৰিলে। কৃষি বিভাগে কৃষিৰ নামত এক বিঘা মান মাটিত খুব যত্ন কৰি ধান কৰে। আৰু সেই এবিঘা মাটিত যেতিয়া ভাল ধান হব তেতিয়া অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ৰজন জনাই দিব যে এবিঘা মাটিত ইমান ধান হল। যদি এবিঘা মাটিতে ইমান ধান হয় তেতিয়া হলে আমাৰ ইয়াত ধানৰ দাম ইমান নাবাঢ়িলহেঁতেন আৰু খাদ্যৰো নাটনি নহল-হেঁতেন। দেখা গৈছে যে এইবিলাক খেতি কেৱল কাগজে কলমেহে হৈছে—প্ৰকৃততে তাৰ দ্বাৰা আমাৰ একো কাম হোৱা নাই।

আমাৰ চৰকাৰে এইটো ঘোষণা কৰিছে যে মন্ত্ৰী সকলে কমাই ভ্ৰমণ কৰিব লাগে। কিন্তু দেখা গৈছে মন্ত্ৰীসকলে কমাই ভ্ৰমণ কৰাৰ ঠাইত বেচিকৈহে ভ্ৰমণ কৰিবলৈ লৈছে।

আজি আমি Electricity ৰ কাৰণে বহুত টকা দিছো। কিন্তু তাৰ সুবিধা কেৱল টাউনত বাস কৰা মানুহ খিনিয়েহে ভোগ কৰিছে — আমাৰ চৰকাৰ ইমান দয়ালু যে গাৱৰ মানুহ Electric light ৰ তলত থাকিলে চকু নষ্ট হৈ চস্মা ব্যৱহাৰ কৰিব লগীয়া হয় বুলিয়েই গাৱত Electricity দিয়া নাই

সময়ৰ সংকেত—

Mr. Speaker—Order, order. your time is up. The House stands adjourned till 10 A.M. on 5th April, 1971.

**Adjournment**

The Assembly then adjourned till 10 A. M. on Monday, the 5 th April 1971,

U. Tahbildar,
Secretary,
Legislative Assembly Assam

Shillong,
Date